**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 30-05-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**<u>HEADLINE</u>**

০০০০০

১। ৰাজ্যত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ৰ প্ৰাৰম্ভিক প্ৰস্তুতি সম্পূৰ্ণ।

২। অসম বিধানসভা সচিবালয়ৰ বিত্তীয় অনিয়মৰ অভিযোগৰ তদন্তৰ বাবে সমিতি গঠন কৰা হ'ব বুলি অধ্যক্ষ ৰণজিৎ কুমাৰ দাসৰ প্ৰকাশ।

৩। অসম সাহিত্য সভাৰ বাবে ৰাজ্য চৰকাৰে ১৯৯৩ চনত আৱণ্টন কৰা ৫০ বিঘা ভূমি সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সৈতে সভাপতি আৰু প্ৰধান সম্পাদকৰ বৈঠক।

৪। গুৱাহাটী মহানগৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ মান উন্নত কৰাৰ বাবে স্বচ্ছতা প্ৰতিযোগিতাৰ আয়োজন।

**আৰু**

৫। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াৰ আসন্ন ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ-২০২৭ৰ প্ৰস্তুতি সন্দৰ্ভত শ্বিলঙত পৰ্যালোচনা।

০০০০০

ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। লোকপিয়লৰ পৰিপ্ৰেক্ষিতত এই গণনাকাৰী বিষয়াসকলৰ অহা ৩১ মাৰ্চ পৰ্যন্ত বদলিত বাধা নিষেধ আৰোপ কৰা হৈছে। এই সন্দৰ্ভত গৃহ মন্ত্ৰালয়ৰ জৰুৰী পত্ৰ লাভৰ পাছতে কৰ্মচাৰী বিভাগে সাধাৰণ প্ৰশাসন বিভাগৰ সচিব আৰু সকলো জিলা আয়ুক্তলৈ নিৰ্দেশ প্ৰেৰণ কৰিছে।

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব।

দেশৰ ষোড়শ আৰু স্বাধীনোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছৰ মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

00000

বিগত সময়ছোৱাত অসম বিধানসভা সচিবালয়ত বিত্তীয় অনিয়ম সংঘটিত হোৱা বুলি উঠা অভিযোগৰ তদন্ত কমিটি গঠন কৰা হ'ব বুলি অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে প্ৰকাশ কৰিছে। নৱ নিযুক্ত অধ্যক্ষগৰাকীয়ে আজি বৰপেটাৰ এটা সম্বৰ্ধনা অনুষ্ঠানত এই কথা সদৰী কৰে।

-বাইট (ৰঞ্জিত কুমাৰ দাস)-

তেওঁ কয়, যে ৰাজ্য চৰকাৰে বিভিন্ন বিভাগত পদোন্নতি আৰু নিযুক্তি প্ৰক্ৰিয়াত অধিক স্বচ্ছতা অনাৰ বাবে পদক্ষেপ লৈছে আৰু বিধানসভাৰ পৰাই ইয়াৰ আৰম্ভণি কৰা হৈছে। শেহতীয়াকৈ বিধানসভা সচিবালয়ে ঠিকা ভিত্তিকভাৱে নিয়োজিত ১২ গৰাকী অৱসৰপ্ৰাপ্ত বিষয়া কৰ্মচাৰীক দায়িত্বৰ পৰা অব্যাহতি দিয়া সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীদাসে কয়, যে এইসকল লোকক অৱসৰৰ পাছত পুনৰ মকৰল কৰা হৈছিল। বিধানসভাৰ সদ্য প্ৰাক্তন প্ৰধান সচিবগৰাকীয়েও দুবছৰ বৰ্ধিত সময় কাম কৰাৰ পাছতো পুনৰ কৰ্মৰত হৈ আছিল। এনেধৰণৰ পুনৰ মকৰল আৰু কাৰ্য্যকাল বৃদ্ধিক দৰে কাৰ্য্যই পদোন্নতি প্ৰক্ৰিয়াত বাধা প্ৰদান কৰে বুলি অধ্যক্ষগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে, বিধানসভাত অযুক্তিকৰভাৱে অত্যধিক কৰ্মচাৰী নিয়োজিত হৈ থকা বুলি দাবী কৰে।

00000

অসম চৰকাৰে গুৱাহাটী মহানগৰৰ ছহল অঞ্চলৰ ভি আই পি পথৰ দাঁতিত ১৯৭৩ খ্ৰীষ্টাব্দত অসম সাহিত্য সভাৰ নামত আবণ্টন দিয়া বেলতলা মৌজাৰ হেঙেৰাবাৰী গাঁৱৰ প্ৰায় ৫০ বিঘা মাটি সম্পৰ্কে অসম সাহিত্য সভাই মুখ্যমন্ত্ৰীৰ সৈতে আজি এক আলোচনাত মিলিত হয়। আৰম্ভণিতে অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক দ্বিতীয়বাৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি অসম সাহিত্য সভাৰ সকলো জিলা সভা সাহিত্য সভাৰ হৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীয়ে সভাপতি আৰু প্ৰধান সম্পাদকৰ সৈতে বিশ্বকোষকে ধৰি বিভিন্ন দুৰ্লভ গ্ৰন্থ পুনৰ্মুদ্ৰণ প্ৰসংগকে ধৰি বিভিন্ন আলোচনাত মিলিত হয়। অসম সাহিত্য সভাৰ নামত আবণ্টন কৰা মাটিখিনি জলাশয় যদিও সাহিত্য সভাৰ লগত কোনো আলোচনা নকৰাকৈ গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে দখল কৰিছে। পাৰ্ক নিৰ্মাণকে ধৰি জলাশয়ৰ আওঁতাত পৰা ভূমিখণ্ডত গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে বৃহৎ বৃহৎ অট্টালিকা সাজি উলিয়াইছে। তদুপৰি, উন্নয়ন প্ৰাধিকৰণে সভাৰ নামত আবণ্টিত ভূমিখণ্ডত এটা বৃহৎ জলাশয়ো খনন কৰিছে। উন্নয়ন প্ৰাধিকৰণৰ ঠিকাদাৰে অসম সাহিত্য সভাৰ লগত কোনো যোগাযোগ নকৰাকৈ সভাৰ কাৰ্য্যালয় আৰু সাংস্কৃতিক বিশ্ববিদ্যালয় ভৱন ভাঙি পেলায়। অসম

সাহিত্য সভাই এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছে। আনহাতে, চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱৰ স্মৃতি সংৰক্ষণৰ উদ্দেশ্যে সভাৰ ৩৩ খন জিলাৰ কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ আৰ্হিৰে নিৰ্মাণ, গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ হীৰক জয়ন্তী উদযাপন আৰু ভৱনটোত এখন অতিথিশালা নিৰ্মাণৰ বাবেও মুখ্যমন্ত্ৰীক অনুৰোধ জনোৱা হয়। সাক্ষাৎকালত অসম সাহিত্য সভাই প্ৰকাশ কৰা বিভিন্ন মূল্যৱান গ্ৰন্থ মুখ্যমন্ত্ৰীক প্ৰদান কৰে। গ্ৰন্থ উপহাৰ গ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে সন্তুষ্টি প্ৰকাশ কৰি আলোচ্য বিষয়সমূহৰ সমাধানৰ বাবে আশ্বাস প্ৰদান কৰে।

ooooo

গুৱাহাটী মহানগৰক পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ বাবে পৌৰ নিগমে এলানি বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। স্বচ্ছতা অভিযানক জন আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ বাবে পৌৰ নিগমে পুনৰ স্বচ্ছতা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই সন্দৰ্ভত পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই সংবাদমেল সম্বোধন কৰি কয়, যে মহানগৰীৰ উন্নয়ন সমিতি, নাগৰিক সমিতি, মহিলা সমিতিকে ধৰি বিভিন্ন সংঘ, ক্লাবসমূহৰ মাজত স্বচ্ছতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ বাবে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে পৰহিলৈৰ পৰা ১৫ জুনলৈকে নাম পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত সৰ্বমুঠ ১৫০ নম্বৰ থাকিব বুলি সদৰি কৰি শ্ৰীশৰণীয়াই কয়, যে প্ৰতিযোগী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে স্বচ্ছতাৰ ভিন ভিন দিশত নম্বৰ লাভ কৰিব। ইয়াৰ ভিতৰত শুকান আৰু ভিজা জাৱৰ পৃথক কৰাৰ ক্ষেত্ৰত ১০ নম্বৰ, প্লাষ্টিক, জাৱৰমুক্ত নলা-নৰ্দমাৰ ক্ষেত্ৰত ১০ নম্বৰ, মুকলি স্থানত জাৱৰ নাথাকিলে ১০ নম্বৰ, বৃক্ষ ৰোপণত ১০ নম্বৰ আৰু দেৱাল লিখনৰ ক্ষেত্ৰত ১০ নম্বৰকৈ থাকিব। ইয়াৰ লগতে ঘৰ, দোকান, দেৱাল আদিত কপৌফুলৰ সৈতে সামঞ্জস্য ৰাখি পাতল বেঙুনীয়া ৰং ব্যৱহাৰ কৰিলে ৫০ নম্বৰ লাভ কৰিব। গুৱাহাটী মহানগৰক বেঙুনীয়া নগৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মেয়ৰ মৃগেন শৰণীয়াই জানিবলৈ দিয়ে—

**বাইট (মৃগেন শৰণীয়া)**

মুঠ ছটা সংমণ্ডলৰ অধীনত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰতিটো সংমণ্ডলত তিনিটা পুৰস্কাৰ থাকিব। প্ৰথম পুৰস্কাৰ ৩ লাখ টকা, দ্বিতীয় পুৰস্কাৰ ২ লাখ আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১ লাখ টকা থাকিব। ৫০ হাজাৰ টকাকৈ তিনিটা নিচুকনি পুৰস্কাৰৰ ব্যৱস্থা কৰা হ'ব। আটাইকেইটা সংমণ্ডলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগীক ৫ লাখ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব।

গুৱাহাটী মহানগৰৰ স্বচ্ছতাৰ মান উন্নত কৰাৰ বাবে এহেজাৰ স্বচ্ছ সখী নিয়োগ কৰাৰ লগতে জুন মাহৰ পৰা ঘৰে ঘৰে জাৱৰ সংগ্ৰহৰ বাবদ ৩০ টকাকৈ আদায় লোৱা বুলি শ্ৰীশৰণীয়াই সংবাদমেলত উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়া আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই আজি শ্বিলঙৰ পল'স্থিত সংহত আয়োজন তথা ক্ৰীড়া চৌহদ মুকলি কৰে। ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱৰ বাবে আজি আয়োজক ৰাজ্য বন্দোবস্তি সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিও সম্পাদিত হয়। মেঘালয়ে আয়োজক ৰাজ্য হিচাপে অগ্ৰণী ভূমিকা পালন কৰাৰ বিপৰীতে উত্তৰ পূৰ্বাঞ্চলৰ ভগ্নী ৰাজ্যসমূহে তেওঁলোকৰ ৰাজ্যত অনুষ্ঠিত বিভিন্ন শিতানৰ খেলৰ ক্ষেত্ৰত আয়োজক হিচাপে অংশগ্ৰহণৰ অধিকাৰ লাভ কৰিব। এই

উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে মেঘালয়ৰ অৰ্থনীতি আৰু আন্তঃগাঁথনি ক্ৰমাৎ সুদৃঢ় হৈ উঠিছে আৰু দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনৰ বৰঙণি বৃদ্ধি পাইছে। মেঘালয়ত এটা উন্নতি কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি শ্ৰীমন্দাভিয়াই ঘোষণা কৰে। অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা, মেঘালয়ৰ ক্ৰীড়া মন্ত্ৰী ৰেলাড্মিকী চাইলা, ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ ড০ পি টি উষা আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগ ইউ জি চিয়ে শিক্ষাৰ্থীসকলক অধ্যয়ন কালতে ব্যৱহাৰিকভাৱে দক্ষ কৰি তোলাৰ লক্ষ্যৰে অভিলাষী পদক্ষেপ লৈছে। সেই অনুসৰি আয়োগে কৰ্মদক্ষতা বৃদ্ধি আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত গৱেষণামূলক মানসিকতা গঢ়ি তোলাৰ উদ্দেশ্যে স্নাতক পৰ্যায়ত ইণ্টাৰ্ণশ্বিপ বাধ্যতামূলক কৰিছে। ইউ জি চিয়ে প্ৰকাশ কৰা অনুসৰি অধ্যয়নৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যাতে চাকৰিমুখী ব্যৱহাৰিক দক্ষতা গঢ় লৈ উঠে তাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আয়োগে ভৱিষ্যতে উচ্চ শিক্ষাৰ বাবে গৱেষণাত ব্ৰতী হ'বলৈ বিচৰা ছাত্ৰ-ছাত্ৰীসকলে ৰিচাৰ্ছ টুল্ছ-ডাটা এনালাইছিছ - লেবৰেটৰী প্ৰকল্পৰ বাস্তৱ অভিজ্ঞতা দিয়াৰো ব্যৱস্থা কৰিছে। ইউ জি চিয়ে এই সন্দৰ্ভত ইতিমধ্যে গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি আয়োগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ কলা-বিজ্ঞান-বাণিজ্যসহ সকলো শাখাৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ বিদ্যাৰ্থীসকলৰ বাবে এই ইণ্টাৰ্ণশ্বিপ বাধ্যতামূলক হ'ব। ইয়াৰ উপৰি তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ বাবেও ইণ্টাৰ্ণশ্বিপৰ বাবে আবেদন দাখিলৰ পথ প্ৰশস্ত ৰখা হৈছে। ইউ জি চি অনাৰ্ছ তথা ইউ জি চি অনাৰ্ছ উইথ ৰিচাৰ্ছ পাঠ্যক্ৰমৰ শিক্ষাৰ্থীসকলে যিকোনো বেচৰকাৰী বা চৰকাৰী সংস্থাত ইণ্টাৰ্ণশ্বিপ কৰিব লাগিব। সকলো শিক্ষাৰ্থীয়ে চতুৰ্থ ষান্মাসিক অৰ্থাৎ দ্বিতীয় বৰ্ষ সমাপন কৰাৰ পাছত প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগিব। এই প্ৰশিক্ষণ ৬০ পৰা ১২০ ঘণ্টাৰ হ'ব। অৱশ্যে চাৰি বছৰীয়া অনাৰ্ছ উইথ ৰিচাৰ্ছ পাঠ্যক্ৰমত অধ্যয়নৰত শিক্ষাৰ্থীসকলক অষ্টম ষান্মাসিকত ৩৬০ ঘণ্টা অৰ্থাৎ সম্পূৰ্ণ ছমাহেই ৰিচাৰ্ছ প্ৰজেক্ট অথবা থেছিছ জমা দিয়াটো বাধ্যতামূলক কৰা হৈছে।

০০০০০

নগাঁও জিলাৰ চামগুৰিৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ৩ আৰু ৪ জুনত জিলা পৰ্যায়ৰ শিশু বিজ্ঞান প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনী নগাঁও আৰু হোজাই জিলাৰ বাবে অনুষ্ঠিত হ'ব। এইবাৰৰ প্ৰদৰ্শনীৰ মূল বিষয়বস্তু হৈছে **বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰতৰ বাবে বিজ্ঞান, প্ৰযুক্তি বিদ্যা, অভিযান্ত্ৰিক বিদ্যা আৰু গণিত**। প্ৰদৰ্শনীখনৰ জৰিয়তে দুয়োখন জিলাৰ ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত চৰকাৰী বিদ্যালয়, মহাবিদ্যালয়ৰ লগতে ৰাজ্যিক বোৰ্ডৰ অধীনৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়, মহাবিদ্যালয়ৰ শিক্ষাৰ্থীক একেখন মঞ্চত একত্ৰিত কৰিবলৈ প্ৰয়াস কৰা হৈছে। প্ৰথম দিনা পুৱা ১০ বজাৰ পৰা শিশু বিজ্ঞান প্ৰদৰ্শনী আৰু দ্বিতীয় দিনা পুৱা ১০ বজাৰ পৰা বিজ্ঞান আৰু গণিত বিষয়ক শৈক্ষিক আলোচনা অনুষ্ঠিত হ'ব।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত **২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্য আৰু জনগাঁথনিগত সুযোগৰ সম্ভাৱনা** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই

আলোচনাত সমল ব্যক্তি হিচাপে অংশ ল'ব আই আই টি গুৱাহাটীৰ স্কুল অব বিজনেছৰ সহযোগী অধ্যাপক ডঃ কুলদীপ বৈশ্যই। আলোচনাৰ আঁত ধৰিব পৰিস্মীতা দিহিঙ্গীয়া আৰু জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০

অসম জাতীয় পৰিষদৰ উপ-সভাপতি মৈনাক পাত্ৰই দলৰ পৰা পদত্যাগ কৰিছে। উল্লেখযোগ্য যে, সদ্য সমাপ্ত অসম বিধানসভা নিৰ্বাচনত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হোৱা মৈনাক পাত্ৰই ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী প্ৰশান্ত ফুকনৰ হাতত পৰাজিত হৈছিল। ব্যক্তিগত কাৰণত তেওঁ দলৰ পৰা পদত্যাগ কৰা বুলি উল্লেখ কৰি দলৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে পদত্যাগ পত্ৰ প্ৰেৰণ কৰে।

০০০০০

নগাঁও জিলা প্ৰশাসনৰ সহযোগত জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ জিলা মহিলা সৱলীকৰণ কেন্দ্ৰই বেটী বাচাও, বেটী পঢ়াও অভিযানৰ অধীনত **ঋতুস্ৰাৱ সম্পৰ্কে থকা অন্ধবিশ্বাস আৰু বাধা নিষেধ নাইকীয়া কৰি মহিলা তথা কিশোৰীসকলৰ বাবে সন্মানেৰে জীয়াই থকাৰ এটা অনুকূল পৰিৱেশ সৃষ্টি কৰা**ক মূল বিষয়বস্তু হিচাপে লৈ ২০২৬ বৰ্ষৰ ঋতুস্ৰাৱ অনাময় ব্যৱস্থা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত স্বাস্থ্য বিভাগৰ বিষয়া আৰু সমল ব্যক্তিসকলে ঋতুস্ৰাৱ অনাময় ব্যৱস্থাপনাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষাত প্ৰচাৰ কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে যোৱা নিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

সমাপ্ত